# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXV    YEAR OF OUR LORD JESUS CHRIST, 2024 NOVEMBER    No. 05


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওঁক!

### হিতোদেশ ২৬:১-১০

১। গ্ৰীষ্ম কালত বৰফ, আৰু শস্য দোৱাৰ সময়ত বৃষ্টি যেনে, সেইদৰে অজ্ঞানীয়ে সন্মান পোৱাৰ যোগ্য নহয়।

২। যিদৰে ঘৰ চিৰিকাই জাপ মাৰি খোৱা বস্তু গিলি ক্ষিপ্ৰ গতিত উৰি যায়, সেইদৰে অকাৰণে দিয়া শাও প্ৰজ্বলিত নহয়।

৩। ঘোঁৰাৰ বাবে চাবুক আৰু গাধৰ বাবে লাগাম, অজ্ঞানীসকলৰ পিঠিৰ বাবে চেকনী।

৪। অজ্ঞানীক উত্তৰ নিদিবা আৰু অজ্ঞানীৰ অজ্ঞানতাত সহযোগ নকৰিবা; নহ'লে তুমি তেওঁৰ দৰেই হ'বা।

৫। অজ্ঞানীক উত্তৰ দিয়া আৰু তেওঁৰ অজ্ঞানতাত সহযোগ কৰা; সেয়ে তেওঁ নিজৰ দৃষ্টিত জ্ঞানী বোধ নকৰিব।

৬। যিজনে অজ্ঞানী লোকৰ হাতত বাৰ্তা পঠিয়াই, তেওঁ নিজৰ ভৰি নিজে কাটি পেলায় আৰু অত্যাচাৰ ভোগ কৰে।

৭। জঠৰ ৰোগীৰ ভৰি যিদৰে তললৈ ওলমি থাকে, অজ্ঞানীসকলৰ মুখত নীতিবাক্যও সেইদৰে।

৮। ফিঙ্গাত শিল বন্ধা যেনে, অজ্ঞানীক সন্মান দিয়াও তেনে।

৯। মতলীয়াৰ হাতত বিন্ধা কাঁইট যেনে, অজ্ঞানীৰ মুখত নীতিবাক্যও তেনে।

১০। ধনুৰ্দ্ধৰে যিদৰে সকলোকে আঘাত কৰে, কোনো এজনে অজ্ঞানী বা বাটৰুৱাক মজুৰি কৰোৱাও তেনে।

## ইজনে সিজনৰ ভাৰ কঢ়িয়াওক !

মাননীয় প্ৰধান সম্পাদক,

ৰেভা ঃ এঞ্জেলীনা ছেল্‌ভাকুমাৰী



BEAR EACH OTHER'S BURDEN! (Galatians 6:2)

আমাৰ প্ৰভু আৰু ত্ৰাৰ্ণকতা যীচুখ্ৰীষ্টৰ নামত, যিজনৰ প্ৰেম সীমাহীন, নিঃশৰ্ত আৰু অবিসংবাদিত তেওঁৰ নামত শুভেচ্ছা জনালো। আমি তেওঁৰ অনুগ্ৰহ আৰু উপকাৰৰ বাবে ধন্যবাদ জনাইছো কিয়নো ২০২৪ বৰ্ষৰ প্ৰথম দহটা মাহ তেওঁ আমাক চলাই আনিছে। তেওঁ আমাক একেৰাহে চলাব আৰু তেওঁৰ অনুগ্ৰহ সদায় জুৰিব, কিয়নো আমি তেওঁৰ সন্তান হওঁ।

বাইবেলে আমাক কয় যে তেওঁ আমাক তেওঁৰ সন্তান হ'বলৈ আহ্বান কৰিছে। কিমান যে আনন্দৰ কথা ! কিন্তু গুৰুত্বপূৰ্ণ প্ৰশ্নটি হৈছে, "আমাৰ জীৱনটি তেওঁৰ আহ্বানৰ বাবে যোগ্যনে?" পাচঁনি পৌলে ইফিচীয়াবিলাকলৈ তেওঁৰ পত্ৰত লিখিছে, ... সেই আমন্ত্ৰণৰ যোগ্য আচৰণ কৰি জীৱন-যাপন কৰক... (ইফিচীয়া ৪ঃ১ পদ। ইয়াৰ অৰ্থটোনো কি? এই খণ্ডবাক্যটি মোৰ মনত বহুত দিন ধৰি আছিল। সেই আমন্ত্ৰণৰ যোগ্য আচৰণ কৰি জীৱন-যাপন কৰা বাক্যটি প্ৰকৃততে কি বুজাইছে? আচলতে আমাক কি কৰিবলৈ কোৱা হৈছে? ইয়াৰ বিভিন্ন দিক থাকিব পাৰে, কিন্তু আজি এটা বিনয়ত আলোচনা কৰিম।

৩ পৃষ্ঠাত চাওঁক




ইখ অফ হীজ কল

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে


প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



REACHING NATIONS



*"কিন্তু তোমালোকৰ কাৰোবাৰ জ্ঞানৰ অভাৱ হয় তেন্তে গৰিহণা নকৰাকৈ অকাতৰে সকলোকে দিওঁতা যি ঈশ্বৰ তেওঁৰ যাচনা কৰক" (যাকোব ১:৫)*

### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**HON. EDITOR-IN-CHIEF**
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.

**HON. MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**GENERAL MANAGER**
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM., MBA.

**ADMINISTRATION**
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)

**EDITORIAL BOARD**
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran
Rev. Dr. William Robert, Ph.D., DD, D.Lit.



**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858

**E.MAIL**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call


খ্ৰীষ্টত মোৰ প্ৰিয় ঈশ্বৰৰ সন্তানসকল,

যিজন যিহোৱাৰ নামেৰে আহে, সেইজন ধন্য, আমি যিহোৱাৰ গৃহৰ পৰা তোমালোকক আশীৰ্বাদ কৰিছো। (গীতমালা ১১৮:২৬)।

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাত কৰ্মীসকলৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ। যদিও কিছুমান দিশত বাধা, ৰোগ-ব্যাধি, আৰ্থিক অৱস্থাৰ অনুকূল নাছিল, পৌলে কোৱাৰ দৰে তোমালোকৰ কোনো প্ৰাণীৰে হানি নহ'ব কেৱল জাহাজৰহে হানি হ'ব (পাঁচনিৰ কৰ্ম ২৭:২২), ঠিক তেনেদৰে ঈশ্বৰে আমাক ৰক্ষা কৰি আছে আৰু সহায় কৰি আছে।

আমি স্থানীয় যাত্ৰাবোৰ সম্পূৰ্ণ কৰিলো কিয়নো আমাৰ কৰ্মীসকল শাৰীৰিকভাৱে উন্নত হৈছে। শাস্ত্ৰৰ মতে ঈশ্বৰে আমাকতুলি ৰাখিছে, ... ধাৰ্মিক লোক সাতবাৰ পৰিও আকৌ উঠে কিন্তু দুষ্টবোৰ আপদত পৰি বিনষ্ট হ'ব (হিতোপদেশ ২৪:১৬)। গতিকে আমি আশা কৰো যে নৱেম্বৰ মাহটো আশীৰ্বাদেৰে পৰিপূৰ্ণ হ'ব।

আমাৰ কেন্দ্ৰীয় কাৰ্যালয়ত সেৱা আগবঢ়োৱা কৰ্মীসকল যেনে ড° চেৰিনা বেভিন, ভনী চাজিনী চেৰিয়ান, ৰেভাঃ ড° কে. আৰ. ৰাজেশ্বেখৰণ, ৰেভাঃ ড° ৰবাৰ্ট উইলিয়াম আৰু ১৬ টা ভাষাৰ সকলো আন আন মই সম্পাদকসকল, সহ সম্পাদকসকলৰ সহায়কাৰীসকল, সহঃ পৰিচালকসকলৰ লগতে ছপাশালৰ কৰ্মীসকল যিসকলে ছপা কৰি তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী প্ৰতিমাহে বিলাই দিয়ে সেইসকলৰ বাবে প্ৰাৰ্থনাৰ সহায়ৰ কামনা কৰিলো।

আমাৰ নহিমিয়া বাইবেল কলেজসমূহ, মণ্ডলীসমূহ, চেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, ছপাশাল (ইউটিউব) মিডিয়া পৰিচৰ্যা, মিছন কেন্দ্ৰ আৰু কাৰ্যালয়ত সেৱা আগবঢ়োৱা কৰ্মীসকলৰ বাবে আপোনালোকৰ মূল্যবান প্ৰাৰ্থনাৰ সময়ত সোঁৱৰণ কৰক।

বিশেষকৈ, আমি আপোনালোকক জনাব বিচাৰো যে আমাৰ পৰিচৰ্যা এটা তীব্ৰ আৰ্থিক সমস্যাৰ সন্মুখীন হৈ আছে আৰু আমি আমাৰ প্ৰয়োজনীয় বস্তুবোৰ পূৰ্ণ কৰিব পৰা নাই, অনুগ্ৰহ কৰি এই বিষয়বোৰৰ ওপৰতো প্ৰাৰ্থনা কৰক।

আপোনালোকৰ সকলোৱে প্ৰচুৰ পৰিমাণে আশীৰ্বাদপ্ৰাপ্ত হওঁক।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক,


পালক এলেক্স চামচন চাম আৰু
এচ, চাম ছেলভা ৰাজ

(+91) 98412 71858 / 98410 71858, E.mail : sam@echoofhiscall.org

## মনোযোগ দিয়ক ঃ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পঢ়োৰৈসকল

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্ত্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহন কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*

....Contd. from page 1

**মিলনকাৰীসকল ঃ ঈশ্বৰৰ সন্তানসকল**

মথি ৫ঃ৯ পদটিত মন দিওঁ, মিলনকাৰীসকল ধন্য; কিয়নো তেওঁলোকে ঈশ্বৰৰ সন্তান বুলি প্ৰখ্যাত হ'ব। প্ৰিয় ভাই আৰু ভনীসকল যদি আমি ঈশ্বৰৰ সন্তান বুলি প্ৰখ্যাত হ'ব বিচাৰো আৰু তেওঁৰ আমন্ত্ৰণৰ যোগ্য হ'ব বিচাৰো, তেন্তে আমি মিলনকাৰী হ'ব লাগিব। এইটো এটা ঈশ্বৰৰ সন্তানসকলৰ এটি মূল বৈশিষ্ট্য তেওঁ আমাক মিলনকাৰী হ'বলৈ আমন্ত্ৰণ কৰিছে সমস্যা সৃষ্টি কৰা লোক হ'বলৈ নহয়।

ইফিচীয়া ৪ঃ২ পদে আমাক শিক্ষা দি কয় যে, আমি ঈশ্বৰৰ সন্তান হোৱা হেতুকে, ইজনে সিজনৰ ভাৰ কঢ়িয়াই মিলনকাৰী হ'বলৈ আমন্ত্ৰণ। ইয়াকে কৰিবলৈ হ'লে, আমি নম্ৰ আৰু ধৈৰ্য্যশীল হ'ব লাগিব। এই গুণসমূহক কেৱল আমাৰ দৰে বিশ্বাস কৰা ভাই বিশ্বাসীসকলৰ লগত অনুশীলন কৰিব লাগিব যে এনে নহয় কিন্তু তেওঁলোকৰ লগতো অনুশীলন কৰিব লাগিব যিসকলে আমাৰ ধৈৰ্য্যক সদায় কঠোৰ বাক্যৰে আৰু ক্ষতিকৰ কৰ্ম কৰে। সত্যতে, এই কাৰ্যটো কৰিবলৈ কঠিন আৰু প্ৰত্যাহ্বানযুক্ত। এই কাৰ্য কৰাটো ক'বলৈহে সহজ। কিন্তু, বাইবেলে এইদৰেই যীচুক প্ৰেম কৰা লোকসকলক কৰিবলৈ কৈছে। পাঁচনি যাকোবেও কৈছে, ঈশ্বৰৰ বাক্য কেৱল শুনিবলৈ নহয় পালনো কৰিব লাগিব।

### ইজনে সিজনৰ ভাৰ কঢ়িয়াওকঙ্গ

কলচীয়া ৩ঃ১৩ পদ আমাক এইদৰে কয় ঃ আপোনালোক পৰস্পৰ সহনীয় হওক; ইজনে সিজনৰ প্ৰতি দয়ালু হওক; আৰু যদি কাৰোবাৰ বিৰুদ্ধে কাৰোবাৰ দোষ দিয়াৰ কাৰণ থাকে, তেনেহ'লে পৰস্পৰে ক্ষমা কৰক; কিয়নো প্ৰভুৱে যেনেকৈ আপোনালোকক ক্ষমা কৰিলে, আপোনালোকেও তেনেকৈ ক্ষমা কৰক।

পৰস্পৰ সহনীয় হ'বলৈ ক্ষমাৰ প্ৰয়োজন আছে। প্ৰকৃততে ক্ষমা কৰিবলৈ হ'লে, আমাৰ প্ৰেমৰ প্ৰয়োজন হয় আৰু ঈশ্বৰৰ প্ৰেমৰ অবিহনে আমি সম্পূৰ্ণকৈ ক্ষমা কৰিব নোৱাৰো বা পাহৰিব নোৱাৰো। আপুনি হয়তো ক'ব, "এইটো কৰিবলৈ কঠিন; মই এইদৰে কৰিব নোৱাৰে। মই এজন মানুহ হওঁ। গতিকে আমি প্ৰেম কৰিবলৈ আৰু ক্ষমা কৰিবলৈ ঈশ্বৰৰ সহায় ল'ব লাগিব।

ইজনে সিজনৰ বোজাবিলাকক ভাগ কৰি লোৱাটো এটি পৰামৰ্শ বা এটি বিকল্প নহয়; এইটো এটা আদেশ হয়। গালাতীয়া ৬ঃ২ পদে কয়, আপোনালোকে ইজেন সিজনৰ ভাৰ কঢ়িয়াওক আৰু খ্ৰীষ্টৰ বিধান সম্পূৰ্ণকৈ পালন কৰক।

খ্ৰীষ্টৰ বিধানক সম্পূৰ্ণ কৰিবলৈ, আমি ইজনে সিজনৰ বোজাবিলাকক কঢ়িয়াই নিয়াত সহায় কৰিব লাগিব। প্ৰত্যেক ব্যক্তিয়ে অসুবিধা, প্ৰত্যাহ্বান, অপ্ৰতিৰোধ্য পৰিস্থিতি, আৰ্থিক সংগ্ৰাম, পাপৰ সৈতে যুদ্ধ আৰু শাৰীৰিক আৰু আত্মিক পৰীক্ষাবোৰৰ সন্মুখীন হয়। যি হওক এই বোজাবিলাকক আমি অকলে কঢ়িয়াই ল'বলৈ নহয়। সেই গতিকে ঈশ্বৰে আমাক মণ্ডলী পৰিয়াল দিছে। আমি খ্ৰীষ্টত এটা শৰীৰ আৰু যেতিয়া শৰীৰৰ এটা অংশই কষ্ট পায়, গোটেই শৰীৰটোত ইয়াৰ প্ৰভাৱ পৰে।

### ক্ৰুচৰ প্ৰতীকতা!

আমি প্ৰায়ে ঈশ্বৰৰ সৈতে আমাৰ সম্পৰ্কক গুৰুত্ব দি তেওঁৰ সৈতে শান্তি বজায় ৰখাৰ চেষ্টা কৰো। ক্ৰুচৰ প্ৰতীকটোত দুটা লাইন থাকে ঃ উলম্ব ৰেখাটোৱে ঈশ্বৰৰ সৈতে আমাৰ সম্পৰ্কক বুজায় আৰু অনুভূমিক ৰেখাটোৱে আনৰ সৈতে থকা সম্পৰ্কক বুজায়।

যীচুৰ দুটা আটাইতকৈ গুৰুত্বপূৰ্ণ আজ্ঞাক একে পদ্ধতিত সংক্ষিপ্ত কৰা হৈছে। প্ৰথমটো, তুমি সকলো হৃদয়, সকলো প্ৰাণ আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা (মথি ২২ঃ৩৭) ঈশ্বৰৰ সৈতে আমাৰ সম্পৰ্কৰ বিষয়ে কৈছে (অনুভূমিক ৰেখা)। দ্বিতীয়টো হৈছে, "... তোমাৰ চুবুৰীয়াক তোমাৰ নিচিনাকৈ প্ৰেম কৰা মথি ২২ঃ৩৯, মথি ২২ঃ৩৪-৪০ ৰ পৰা, আনৰ সৈতে থকা সম্পৰ্কৰ বিষয়ে কৈছে (উলম্ব ৰেখা)।

আমাৰ অনেকেই ঈশ্বৰৰ সৈতে আমাৰ সম্পৰ্কক লৈ সন্তুষ্টবোধ কৰে। আমি ঈশ্বৰক প্ৰেম কৰো, সদায় তেওঁৰ বাক্যক অধ্যয়ন কৰো, প্ৰাৰ্থনা কৰো, উপভোগ কৰো, উপাসনাত যোগদান কৰো আৰু পৰিচৰ্য্যাত জড়িত হওঁ । আৰু আত্মাৰ বৰদানসমূহত অধিক গুৰুত্ব দিওঁ। পৌলে ১ কৰিন্থীয়া ১২ঃ৮-১০ পদত এইদৰে কৈছে, তাতে আত্মাৰ দ্বাৰাই এজনক বুদ্ধিৰ কথা, একে আত্মাৰ ইচ্ছানুসাৰে আনজনক জ্ঞানৰ কথা, একে আত্মাৰে আনজনক বিশ্বাস দিয়া হৈছে; সেই একে আত্মাৰ দ্বাৰাই কোনোক সুস্থ কৰিব পৰা বৰ, আন কোনোজনক পৰাক্ৰম কাৰ্য সাধন কৰিবলৈ, আন কোনোক ভাববাণী ক'বৰ, আন কোনোক নানা বিধ ভাষা ক'বৰ আৰু আন কোনোক নানা ভাষাৰ অৰ্থ প্ৰকাশ কৰিবৰ শক্তিৰূপ বৰ দিয়া হৈছে।

তথাপি, আত্মাৰ ফলবিলাকৰ বিষয়ে কি হ'ব? গালাতীয়া ৫ঃ২২-২৩ পদটিয়ে আমাক সোঁৱৰাই দি কয় যে, কিন্তু আত্মাৰ ফল হ'ল প্ৰেম, আনন্দ, শান্তি, চিৰসহিষ্ণুতা, দয়া, মঙ্গলভাৱ, মৃদুভাৱ, বিশ্বাস, ইন্দ্ৰিয়দমন। এইবোৰৰ বিৰুদ্ধে কোনো বিধান নাই। মই প্ৰায়ে লক্ষ্য কৰো যে মানুহবিলাকে তেওঁলোকৰ পৰিচৰ্যাত আৰু ঈশ্বৰৰ সৈতে তেওঁলোকৰ

ব্যক্তিগত সম্পৰ্কক ইমানেই ব্যস্ত হৈ থাকে যে তেওঁলোকে তেওঁলোকৰ পৰিয়াল আৰু প্ৰতিবেশীসকলক অৱজ্ঞা কৰিবলৈ ধৰে। বাইবেলে আমাক শিক্ষা দি কয় যে, দুয়োটা সম্পৰ্ক আমাৰ বাবে গুৰুত্বপূৰ্ণ।

## মণ্ডলীৰ দায়িত্ব

মণ্ডলীয়ে, মোক আৰু আপোনাকো অন্তৰ্ভুক্ত কৰিছে, যত্ন ল'বলৈ গভীৰভাৱে দায়িত্ব পালন কৰে আৰু আমাৰ বিশ্বাসীসকলৰ বোজাবিলাকক ভগাই লয়। যেতিয়া শৰীৰৰ এটা অংশ ঠিক হৈ নাথাকে, আমাৰ সকলোৰে ওপৰত প্ৰভাৱ পেলায়। অনেক যত্ন লোৱাটো কেৱল এটা দয়াৰ কাৰ্য নহয়। কিন্তু ইয়াত এটা পণ জড়িত আছে। যেতিয়া আমাৰ চাৰিওফালে থকা লোকসকল স্বাস্থ্যৱান হৈ থাকে, আমি লাভৱান হওঁ আৰু যেতিয়া আমি স্বাস্থ্যৱান হওঁ, মণ্ডলীয়ে সামগ্ৰিকভাৱে শক্তিশালী হয়। বিপৰীত ভাৱে, যেতিয়া আমি কষ্ট পাওঁ, মণ্ডলীক অন্তৰ্ভুক্ত কৰি আমাৰ লগত জড়িত হৈ থকা সকলোৱে প্ৰভাৱিত হয়।

গালাতীয়া ৬ঃ২ পদে এইদৰে কয়, আপোনালোকে ইজনে সিজনৰ ভাৰ কঢ়িয়াওক আৰু খ্ৰীষ্টৰ বিধান সম্পূৰ্ণকৈ পালন কৰক। এই আজ্ঞাটোৱেই স্পষ্ট কৰি দিছে, এইটো বাধ্যতামূলক। ঈশ্বৰৰ পৰিয়ালৰ প্ৰত্যেক সদস্যৰ বাবে এটা পোনপটীয়া নিৰ্দেশ। ঈশ্বৰৰ সন্তানৰ দৰে এইদৰে কৰি আমি আমাৰ আহ্বানক পালন কৰি চলো।

## দায়ুদ আৰু যোনাথন

দায়ুদ আৰু যোনাথনৰ সম্পৰ্কটি নিস্বাৰ্থ প্ৰেমৰ আৰু বন্ধুত্বৰ এটি অসাধাৰণ সম্পৰ্ক। দায়ুদে এদিন ৰজা হিচাপে তেওঁৰ স্থান ল'ব বুলি জানিও, যি স্থানটিক তেওঁৰ বুলি ভাবিছিল, তথাপি যোনাথনে দায়ুদক সম্পূৰ্ণ হৃদয়েৰে প্ৰেম কৰিছিল। তেওঁৰ বিশ্বস্ততা দায়ুদৰ প্ৰতি ইমানেই মহান আছিল যে, তেওঁ আনকি তেওঁৰ পিতৃ চৌল ৰজাৰ বিৰুদ্ধে থিয় দিছিল।

১ চমূৱেল ২৩ অধ্যায়ে এটা শক্তিশালী মুহূৰ্তক লিপিবদ্ধ কৰিছে ঃ দায়ুদে জীফৰ অৰণ্যত লুকাই আছিল, কিয়নো চৌলে দায়ুদক হত্যা কৰিবলৈ নিৰ্দয়ভাৱে তেওঁক বিচাৰি আছিল। কিন্তু বাইবেলে কয় যে ... কিন্তু ঈশ্বৰে তেওঁৰ হাতত তেওঁক সমৰ্পণ নকৰিলে। ১ চমূৱেল ২৩ঃ১৪, ঈশ্বৰে দায়ুদক ৰক্ষা কৰি আছিল।

প্ৰিয় বন্ধুসকল কিমান যে এটা শান্তনাদায়ক সত্য ! যদি ঈশ্বৰে দায়ুদক ৰক্ষা কৰিছে, তেওঁ আমাকো আমাৰ শত্ৰুৰ পৰা ৰক্ষা কৰিব। কোনো কোনো সময়ত আমি ভাবিব পাৰো যে আমি একেবাৰে আক্ৰমণৰ বলি শত্ৰুৰ হাতত সমৰ্পণ নকৰিব। যেতিয়া আমাৰ পথবোৰে ঈশ্বৰক সন্তোষ দিয়ে। তেতিয়া তেওঁ আনকি আমাৰ শত্ৰুবোৰৰ আমাৰ সপক্ষে কাৰ্য কৰাব। শত্ৰু আমাৰ ওচৰত থাকিব পাৰে, কিন্তু ঈশ্বৰ নিয়ন্ত্ৰণত থাকে। তেওঁ আমাক কেতিয়াও তেওঁবিলাকৰ হাতত পৰিব নিদিব।

সেই সময়ত চৌলে দায়ুদক বিচাৰি ফুৰা বুলি জানি, তেওঁ ভয়ত থাকিছিল। তেওঁ নিশ্চয় অকলশৰীয়া, হতাশ আৰু উদ্বিগ্ন হৈ আছিল। তেওঁ পৰিয়াল, ভাৰ্য্যা, বন্ধুসকল আৰু ঘৰৰ আৰাম পৰা বিচিন্ন হৈ আছিল। অকলশৰীয়া এটি ভয়ংকৰ শত্ৰু হ'ব পাৰে, কিয়নো ইয়ে ঋণাত্মক চিন্তাধাৰাবোৰক আনিব পাৰে। কিন্তু ঈশ্বৰৰ দায়ুদৰ লগত আছিল আৰু তেওঁ আমাৰ লগতো আছে।

যেতিয়া দায়ুদে শাৰীৰিক, মানসিক আৰু আত্মিকভাৱে ভগ্ন হৈ আছিল, তেতিয়া অৰণ্যত তেওঁ অপ্ৰত্যাশিতভাৱে এজন বন্ধুক লগ পালে চৌলৰ পুত্ৰ যোনাথনে অৰণ্যত দায়ুদৰ ওচৰলৈ গৈ ঈশ্বৰত তেওঁৰ হাত সবল কৰিলে। ১ চামূৱেল ২৩ঃ১৬। আহক আমি এই পদটিৰ আন কিছুমান অনুবাদবোৰক পৰীক্ষা কৰি চাওঁঃ

এন. আই. ভিঃ ঈশ্বৰত শক্তি বিচাৰি পাবলৈ তেওঁক সহায় কৰিছিল। এন.এল,টি ঈশ্বৰত তেওঁৰ বিশ্বাসক শক্তিশালী কৰি ৰাখিবলৈ সহায় কৰিছিল।

কে.জে.ভিঃ ঈশ্বৰত তেওঁৰ হাত শক্তিশালী কৰিবলৈ, এমপ্লিফাইড ঃ ঈশ্বৰে তেওঁক উৎসাহিত কৰিছিল।

চমুকৈ, যোনাথনে তেওঁৰ প্ৰিয় বন্ধু দায়ুদক পৰিদৰ্শন কৰিবলৈ আৰু তেওঁৰ আত্মিক উন্নতি কৰিবলৈ অৰণ্যলৈ গৈছিল। তেওঁ উৎসাহৰ বাক্য দিছিল আৰু দায়ুদক তেওঁৰ দুৰ্বলতাত শক্তি যোগাইছিল। যোনাথনে দায়ুদক কেৱল আবেগিকভাৱে সহায় কৰিছিল এনে নহয়,

*৬ পৃষ্ঠাত চাওঁক*

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE
REACHING NATIONS

**নহিমিয়া বাইবেল আৱাসিক মহাবিদ্যালয়, চেন্নাই**

**ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া**

**মাধ্যম ঃ হিন্দী**

**অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক**

**নামভৰ্তিৰ বাবে সোনকাল কৰক !**

যোগাযোগ কৰক ঃ

**The Chairman, Nehemiah Bible College**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ONLINE CLASSES ARE AVAILABLE ✶

**যোৱা ৫৫ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত**

ECHO OF HIS CALL MINISTRIES
SINCE 1969

GREAT COMMISSION PARTNERS

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰশংসা আৰু প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

**(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)**



**২০২৪ বৰ্ষৰ ১৯ নৱেম্বৰৰ পৰা ২০২৪ বৰ্ষৰ ১৮ ডিচেম্বৰলৈ**

## ✝ ঈশ্বৰক প্ৰশংসা কৰো কাৰণ ...

**১৯ নৱেম্বৰ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজৰ ২০২৪-২০২৫ বৰ্ষৰ প্ৰথম চেমিষ্টাৰ কৃতকাৰ্যতাৰে সম্পন্ন কৰাৰ বাবেহ আৰু দ্বিতীয় চেমিষ্টাৰ কৰাৰ বাবে।

**২০ নৱেম্বৰ ঃ** ১৬ টা ভাষাত থকা আমাৰ আলোচনীখন ছপা কৰি প্ৰকাশ কৰি মিছন ফিল্ডলৈ পঠিওৱাত সহায় কৰাৰ বাবে।

**২১ নৱেম্বৰ ঃ** বিব্লেকৰ আৰু থিয়'লজিকেল পাঠ্যক্ৰমৰ ওপৰত তেওঁৰ আশীৰ্বাদৰ বাবে।

**২২ নৱেম্বৰ ঃ** শুভবাৰ্তা নোপোৱা লোকসকললৈ শুভবাৰ্তা বিলাবলৈ আমাৰ কেন্দ্ৰীয় আৰু শাখা মণ্ডলীসমূহত আমাৰ দেওবৰীয়া উপাসনাৰ বাবে।

**২৩ নৱেম্বৰ ঃ** আমাৰ ভিন্ন পৰিচৰ্যাসমূহৰ যোগেদি শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ আমাৰ জ্যেষ্ঠ পালকৰ দৃঢ় অঙ্গীকাৰৰ বাবে।

**২৪ নৱেম্বৰ ঃ** আমাৰ তেওঁৰ আহ্বানৰ আলোচনী পৰিচৰ্যাৰ বাবে নিবেদিত সহকাৰী সম্পাদক সকলক পাই আমি আশীৰ্বাদপ্ৰাপ্ত হৈছো।

**২৫ নৱেম্বৰ ঃ** আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, গ্ৰাহক অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল, মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ দয়াৰ বাবে।

**২৬ নৱেম্বৰ ঃ** আমাৰ নিয়মীয়া সমৰ্থনকাৰীসকলৰ বাবে আৰু আমাৰ পৰিচৰ্যাত তেওঁলোক জড়িত হোৱাৰ বাবে।

**২৭ নৱেম্বৰ ঃ** আমাৰ চাণ্ডেস্কুলৰ শিক্ষকসকলৰ বাবে।

**২৮ নৱেম্বৰ ঃ** আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব পৰিচৰ্যাৰ সভাপতি ভাই এড্ৱাৰ্ড ডুৰাইৰ বাবে।

**২৯ নৱেম্বৰ ঃ** আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব মিডিয়া পৰিচৰ্যাৰ যোগেদি শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা বিলোৱাত ঈশ্বৰে আৰ্থিক সহায় যোগোৱাৰ বাবে।

**৩০ নৱেম্বৰ ঃ** আমাৰ কেন্দ্ৰীয় মণ্ডলী আৰু শাখা মণ্ডলীবিলাকত ঈশ্বৰে অধিক শিশুসকলক যোগোৱাৰ বাবে।

**০১ ডিচেম্বৰ ঃ** আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন আৰু নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলক স্বৰ্গীয় নিৰাপত্তাৰে আশীৰ্বাদ কৰাৰ বাবে।

**০২ ডিচেম্বৰ ঃ** আমাৰ শুভাকাংক্ষীসকল, আমাৰ বন্ধুসকল আৰু ফিল্ডত সহায়কৰ্তাসকলৰ বাবে।

**০৩ ডিচেম্বৰ ঃ** আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ সকলো কাৰ্যক্ৰমবিলাকৰ ওপৰত তেওঁৰ সহায় আৰু আশীৰ্বাদৰ বাবে।

## ✝ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**০৪ ডিচেম্বৰ ঃ** আমাৰ জ্যেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দ শক্তিৰ পৰা ৰক্ষা কৰিবলৈ।

**০৫ ডিচেম্বৰ ঃ** আমাৰ জ্যেষ্ঠ পালকে তেওঁৰ আত্মজীৱনী লিখাত কৃতকাৰ্য হ'বলৈ।

**০৬ ডিচেম্বৰ ঃ** বিশ্বজুৰি পালকসকল, মিশ্বনেৰীসকল আৰু খ্ৰীষ্টিয়ান অনুষ্ঠানবিলাকৰ স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

**০৭ ডিচেম্বৰ ঃ** আমাৰ আলোচনীৰ কাউন্সিল মেম্বাৰ সকলৰ বাবে।

**০৮ ডিচেম্বৰ ঃ** আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল আৰু নহিমিয়া বাইবেল কলেজৰ কৰ্মীসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে।

**০৯ ডিচেম্বৰ ঃ** কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীসকলৰ মনৰ পৰা আত্মহত্যাৰ আত্মা গুচাবলৈ।

**১০ ডিচেম্বৰ ঃ** গোটেই পৃথিৱীত ঘূৰ্ণীবতাহ আৰু ভূমিকম্পৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ পৰা ৰক্ষা পাবলৈ।

**১১ ডিচেম্বৰ ঃ** আমাৰ মণ্ডলীৰ কাউন্সিল মেম্বৰসকলৰ বাবে।

**১২ ডিচেম্বৰ ঃ** আমাৰ স্কুলৰ কাউন্সিল মেম্বাৰসকলৰ বাবে।

**১৩ ডিচেম্বৰ ঃ** সমস্ত পৃথিৱীত নতুন সংক্ৰামক ৰোগৰ পৰা স্বৰ্গীয় নিৰাপত্তা পাবলৈ।

**১৪ ডিচেম্বৰ ঃ** গোটেই পৃথিৱীত সকলো খ্ৰীষ্টিয়ান পৰিচৰ্যাবিলাকত এটা ডাঙৰ জাগৰণৰ বাবে।

**১৫ ডিচেম্বৰ ঃ** গোটেই পৃথিৱীত চলি থকা যুদ্ধ আৰু সন্ত্ৰাসমূলক কাৰ্যৰ পৰা শান্তি আৰু একতা ঘূৰি আহিবলৈ।

**১৬ ডিচেম্বৰ ঃ** বিশ্বাসীসকলৰ মিছা শিক্ষণ আৰু মিছা আচৰিত কৰ্মৰপৰা স্বৰ্গীয় ৰক্ষা পাবলৈ।

**১৭ ডিচেম্বৰ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজৰ কাউন্সিল মেম্বাৰসকলৰ বাবে।

**১৮ ডিচেম্বৰ ঃ** আমাৰ চিকিৎসালয়ৰ পৰিচৰ্যাবিলাকৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

কিন্তু যেতিয়া দায়ুদ আত্মিকভাৱে শুকান হৈ আছিল। যোনাথনে তেওঁক সহায় কৰিছিল আৰু ঈশ্বৰত শক্তি পোৱালে, দায়ুদৰ প্ৰতি যোনাথনৰ বাক্যই গভীৰ প্ৰভাৱ পেলালে, ১ চমূৱেল ২৩ঃ১৭ পদত যোনাথনে কয় ঃ

"ভয় নকৰিব... কাৰণ মোৰ পিতৃ চৌলৰ হাতে আপোনাক ধৰিবলৈ নাপাব; আপুনি ইস্ৰায়েলৰ ৰজা হ'ব আৰু মই আপোনাৰ পিছতহে হ'ম। মোৰ পিতৃ চৌলেও জানে।"

যোনাথনে দায়ুদৰ জীৱনত ঈশ্বৰৰ পৰিকল্পনাৰ নিশ্চয়তাক জনালে। কল্পনা কৰক নিজৰ পিতৃৰ দোষ স্বীকাৰ কৰাৰ্লৈ যোনাথনৰ বাবে কিমান যে কঠিন হ'ব পাৰে, চৌল এজন শক্তিশালী ৰজা হ'ব পাৰে, কিন্তু যিমানেই তেওঁ চেষ্টা কৰিলেও, তেওঁ ঈশ্বৰৰ পৰিকল্পনাক ব্যৰ্থ কৰিব নোৱাৰিলে। যোনাথনে স্বীকাৰ কৰিলে যে, দায়ুদ পৰৱৰ্তী ৰজা হ'ব আৰু ঈশ্বৰৰ পৰিকল্পনাৰ পৰিপূৰ্ণতাক জানি দায়ুদৰ অধীনত কাজ কৰাৰ ইচ্ছা কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিল। আমাৰ বাবে ঈশ্বৰৰ ওচৰত পৰিকল্পনা আছে, যিৰিমিয়া ২৯ঃ১১ পদত লিখা আছে ঃ আমাক আশা আৰু মঙ্গল দিবলৈ পৰিকল্পনা কৰে।

যোনাথনে দায়ুদক উৎসাহ দিবলৈ যোৱাটোৱে আমি আনক ঈশ্বৰত শক্তিশালী কৰিবলৈ উৎসাহ দিয়াটোক মনত পেলাই দিয়ে। কেতিয়াবা কাৰোবাক আপুনি উৎসাহ দিবলৈ গৈছিল নে? আমি প্ৰায়ে নিজকে উৎসাহ পাবলৈ বিচাৰো, কিন্তু কেতিয়াবা কাৰোবাক উৎসাহ দিবলৈ প্ৰয়াস কৰোনে? আজিৰ ব্যস্ত পৃথিৱীত আনবিলাকৰ সমস্যাবোৰক উপেক্ষা কৰাটো সহজ হৈ পৰিছে। কেতিয়াবা আমি ভাবো যে টকা পঠাই দিলেই হ'ব। কিন্তু টকাৰ প্ৰয়োজন যিমানেই গুৰুত্বপূৰ্ণ শাৰীৰিকভাৱে আৰু আবেগিকভাৱে তাত থকাটোও সিমানেই গুৰুত্বপূৰ্ণ।

## বৰ্জ্জিলয়ঙ্গ

আন এটা প্ৰেৰণা দিয়া চৰিত্ৰটো হৈছে বাইবেলৰ বৰ্জ্জিলয়, তেওঁ প্ৰমাণ কৰিছিল যে বয়স মাত্ৰ এটি সংখ্যা। ২ চমূৱেল ১৯ঃ৩২ পদে কয় ঃ

সেই বৰ্জ্জিলয় অতি বুঢ়া, আশী বছৰ বয়সীয়া, ৰজা মহনয়িমত থকা কালত তেওঁ ৰজাক আহাৰ যোগাইছিল, কাৰণ তেওঁ অতিশয় প্ৰতিপত্তিশালী লোক আছিল।

আমি বৰ্জ্জিলয় নামৰ মানুহজনৰ সন্মুখীন হওঁ, যিজনৰ আশীবছৰ বয়স হৈছিল। দায়ুদে তেওঁৰ লোকসকলৰ সৈতে তেওঁৰ পুত্ৰৰ পৰা পলাই আহি অৰণ্যত লুকাই আছিল, তেওঁ খাদ্য আৰু সম্পদৰ অভাৱত পৰিছিল। বৰ্জ্জিলয় এজন অতি ধনী আৰু বৃদ্ধ মানুহ আছিল, তেওঁ দায়ুদ আৰু তেওঁৰ অনুগামীসকলক সহায় কৰিবলৈ আগবাঢ়ি আহিল। যেতিয়া তেওঁলোকে মহনয়িমত আছিল, তেওঁ আহাৰ যোগাইছিল, দায়ুদৰ আৰু তেওঁৰ লোকবিলাকৰ বোজাত ভাগ ল'লে।

এই গল্পটিয়ে ইয়াকে উদাহৰণ দিয়ে যে দয়াৰ কাৰ্য কৰিবলৈ হ'লে লিঙ্গ, জাতি বা বয়সৰ সীমা নাথাকে - যিকোনোৱেও সহায় কৰিব পাৰে বা আনৰ বোজা কঢ়িওৱাত ভাগ ল'ব পাৰে। এটি ইচ্ছা আৰু সহানুভুতিশীল হৃদয়ৰ প্ৰয়োজন হয়। তেতিয়া দায়ুদে বৰ্জ্জিলয়ক তেওঁৰ দয়াৰ বাবে উপহাৰ দিবৰ বাবে তেওঁৰ ৰাজ্যলৈ লৈ যাব বিচাৰিছিল, বৰ্জ্জিলয়ে নম্ৰ মনেৰে অস্বীকাৰ কৰিলে আৰু নিজৰ ঠাইতে থাকি যাবলৈ ইচ্ছা কৰিলে। ইয়াত আমি প্ৰমাণ পাওঁ যে তেওঁৰ প্ৰেম আৰু যত্নত কোনো স্বাৰ্থ নাছিল; দায়ুদৰ কষ্ট আৰু সংগ্ৰামত অংশীদাৰ হ'বলৈহে তেওঁ তাত আছিল।

## যীচু !

যীচু খ্ৰীষ্টতকৈ আৰু কোনো স্বাৰ্থহীন প্ৰেমৰ উদাহৰণ আৰু নাই। তেওঁ ইমানেই গভীৰভাৱে প্ৰেম কৰিছিল, যে আমাৰ বাবে ক্ৰুচত মৃত্যুবৰণ কৰিবলৈ, তেওঁ স্বৰ্গ আৰু সিংহাসন ত্যাগ কৰিবলৈ ইচ্ছা কৰিলে। তোমাৰ সাহাৰ্য্যৰ কোমলতাই মোক মহান কৰিছে। (গীতমালা ১৮ঃ৩৫)। যীচুৱে নিজকে নম্ৰ কৰিলে আৰু আমাৰ অভিশাপক ল'লে, যাতে আমি আশীৰ্বাদ পাব পাৰিম, তেওঁ আমাৰ অপমানক ল'লে যাতে আমি মূৰ দাঙি যাব পাৰো। তেওঁৰ বলিদানৰ দ্বাৰাই, আমি আটাইতকৈ ডাঙৰ উপহাৰ পালো, ক্ষমা আৰু অনন্ত জীৱন। তেওঁ প্ৰতিজ্ঞা কৰে, মই তোমাক কেতিয়াও নেৰিম, কেতিয়াও ত্যাগ নকৰিম (ইব্ৰী ১৩ঃ৫)। প্ৰভুৱে কয়, কিয়নো তেওঁ মোক প্ৰেম কৰে, সেয়ে মই তেওঁক উদ্ধাৰ কৰিম, মই তেওঁক

....Contd. to page 9

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE (ECHO GROUP)

**নহিমিয়া বাইবেল আৱাসিক মহাবিদ্যালয়,**
**চেপাক আৰু সন্তোষাপুৰম, চেন্নাই**

**ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া**

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক

**মাধ্যম ঃ তামিল**

**নামভৰ্তিৰ বাবে সোনকাল কৰক !**

যোগাযোগ কৰক ঃ

**The Chairman, Nehemiah Bible College**
10, Mohammed Abdullah 2nd Street, Chepauk, Chennai - 600 005
Phone : (+91-44) 2852 8282, Cell: (+91) 98410 71852, 9566131858. E-mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
* ONLINE CLASSES ARE AVAILABLE *

**যোৱা ৫৫ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত**

## MAIN CHURCH PROGRAMMES

| | | |
|---|---|---|
| 1. | Prayer Service | : 24 hours |
| 2. | **ECHO OF HIS CALL** - Monthly Magazines :English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan. | |
| 3. | **BIBLECOR** - Basic Bible Courses (English, Tamil & Hindi) | |
| 4. | Theological Correspondence Courses: English & Tamil | |
| 5. | Nehemiah Bible Colleges (Chepauk, Santhoshapuram & Velachery) | |
| 6. | Great Commission Partners (Network of Pastors) | |
| 7. | Training Programmes – Seminars & Retreats | |
| 8. | Crusades | |
| 9. | Literature Distribution and Follow Up | |
| 10. | Gospel Printing Press | - Publications |
| 11. | St. Paul's Matriculation School - Village English High School | |
| 12. | Sunday Schools (Chepauk) : 10.30 a.m. Sunday & (Velachery, Balaji Nagar & Santhoshapuram) 3.00 p.m. Sunday | |
| **13.** | **Early Morning Service** | **: 5.30 a.m. Sunday** |
| **14.** | **Preliminy Service** | **: 8.00 a.m. Sunday** |
| **15.** | **Tamil Service** | **: 8.30 a.m. Sunday** |
| **16.** | **Youth Meeting** | **: 11.00 a.m. Sunday** |
| **17.** | **Fellowship Lunch** | **: 1.00 p.m. Sunday** |
| **18.** | **Hindi Service** | **: 4.00 p.m. Sunday** |
| **19.** | **Telugu Service** | **: 5.00 p.m. Sunday** |
| **20.** | **English & Hindi Service** | **: 6.00 p.m. Sunday** |
| 21. | Feedback Time | : 7.30 p.m. Sunday |
| 22. | Women's Prayer | : 5.30 p.m. Wednesday |
| 23. | Men's Prayer | : 7.00 p.m. Friday |
| 24. | Discipleship Meeting | : 6.00 p.m. Saturday |
| 25. | House Meetings | : 6.30 p.m. Tuesday & Thursday |
| 26. | Special Holy Communion | : 6.00 a.m. 1st day of each month |
| 27. | Ministers' Meeting | : 6.00 p.m. First Saturday |
| 28. | Parents' Prayer | : 4.00 p.m. First Sunday |
| 29. | Night Prayer | : 9.30 p.m. Third Friday |
| 30. | Fasting Prayer | : 9:30 a.m. Second Saturday |
| 31. | Holy Communion | : Second Sunday Services |
| 32. | Youth / Kid Prayer | : 10.00 p.m. daily (over phone) |
| 33. | Staff Devotion | : 9.00 a.m. daily |
| 34. | Office | : 9.00 a.m. to 9.00 p.m. (except Sundays) |

## Echo of His Call Postal Courses for candidates in India

### 1. BIBLECOR

We offer Postal Course on Basic Truths of The Bible to new Christians and non-Christians in English – 57 pages, Hindi – 76 pages & Tamil – 96 pages. You will get a Course Book entitled **New Life – For You!** **After the completion of this course, you will get a certificate. There will be no compulsory fees. You will be blessed!** - Editor

### 2. THEOLOGICAL CORRESPONDENCE COURSE

Advanced Distance Education called **Theological Correspondence Course** is available in English – 537 pages and Tamil – 652 pages for Pastors, Evangelists, Christian Leaders and for lay people who have passion to do God's Ministry! A fee of Rs. 1000/- is charged. 7 Books with 149 Chapters are supplied. **Certificate in Ministry** will be awarded. **God will bless you!**

***For more details, write to us.***

**The Chairman, Nehemiah Bible College,**
**Echo of His Call, Post Box 2957**
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

### মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫

## এডাল পেঞ্চিল আৰু এখন পাটীৰ পুৰণি কাহিনী !

“ল’ৰাক তাৰ চলিবলগীয়া পথ অনুসাৰে শিক্ষা দিয়া তাতে সি বুঢ়া হ’লেও তাক নেৰিব”– ১ চমূৱেল ১৬ঃ৭

এখন চৰকাৰী গ্ৰাম্য স্কুলত পঞ্চম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত মোক এখন হাইস্কুলত নামভৰ্তি কৰোৱা হৈছিল য’ত মোক প্ৰথমবাৰ ইংৰাজীৰ বৰ্ণমালা শিকোৱা হৈছিল। স্কুলৰ প্ৰথম দিনা আমাৰ শ্ৰেণী শিক্ষকজনে আমাৰ সকলো ছাত্ৰ-ছাত্ৰীবিলাকক পিছদিনা এডাল পেঞ্চিল আৰু এখন বহী লগত লৈ আনিবলৈ কৈছিল। সেইদিনা মই ঘৰলৈ ঘূৰি অহাৰ লগে লগে মোৰ পিতৃ বাহিৰত থকা হেতুকে এই প্ৰয়োজনীয় বস্তুৰ বাবে মাতৃক ক’লো। তেওঁ মোৰ বাবে বহী এখন কিনি দিবলৈ সমৰ্থ হ’ল কিন্তু পেঞ্চিল এডাল কিনি দিবলৈ সমৰ্থ নহ’ল। তেওঁ ইয়াৰ বাবে ধন বিচাৰি ওচৰ-চুবুৰীয়াৰ ওচৰলৈ যাব নিবিচাৰিলে। তেওঁৰ অসমৰ্থতাৰ বিষয়ে মোক ব্যাখ্যা কৰি ক’লে আৰু মোৰ ব্যৱহাৰৰ বাবে পেঞ্চিল এডাল পাবলৈ প্ৰভু যীচু খ্ৰীষ্টৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ কৈছিল।

তেওঁৰ কথাত আজ্ঞাধীন হৈ, মই নিশা আঠু লৈ ঈশ্বৰলৈ পেঞ্চিল এডাল বিচাৰি প্ৰাৰ্থনা কৰিলো আৰু শুবলৈ গ’লো। পাছদিনা ৰাতিপুৱালৈকে ঈশ্বৰে মোক এডালো পেঞ্চিল যোগাই নিদিলে। গতিকে পেঞ্চিলৰ অবিহনেই মই স্কুললৈ গ’লো। যেতিয়া আন ছাত্ৰ-ছাত্ৰীসকলে পেঞ্চিল লগত লৈ আনিছিল তাত কেৱল মইহে পেঞ্চিল নিয়া নাছিলো। শিক্ষকজন মোৰ এই কাৰ্যৰ বাবে সুখী হোৱা নাছিল। তেওঁ মোক ক’লে যে কালিৰ পৰা পেঞ্চিলৰ অবিহনে স্কুললৈ নাহিবা।

মই ঘৰলৈ ঘূৰি আহি শিক্ষকে বেয়া পোৱাৰ কথা মাক ক’লো। মায়ে মোলৈ চাই এটি মিচিকিয়া হাঁহি মাৰি দ্বিতীয় দিনাও প্ৰভু যীচু খ্ৰীষ্টক প্ৰাৰ্থনা কৰিবলৈ ক’লে আৰু পেঞ্চিল আহি আছে বুলি নিশ্চিত হৈ ক’লে, সেইদিনাও মই একেদৰে কৰিলো কিন্তু একো নঘটিল। গতিকে সেইদিনাও মই খালী হাতে স্কুল যাবলগীয়া হ’ল। যেতিয়া মোক শিক্ষকে সুধিলে, মই ক’লো মায়ে মোক আজ্ঞা দিয়াৰ দৰে প্ৰাৰ্থনা কৰিলো আৰু পেঞ্চিল আহি আছে বুলি মোক ক’লে। শিক্ষকগৰাকী বহুত উত্তেজিত হ’ল আৰু মোৰ কথা আৰু মাতৃৰ ব্যৱহাৰত খং উঠিছিল। শিক্ষকগৰাকীয়ে আকৌ তাৰ পাছদিনা পেঞ্চিলৰ অবিহনে স্কুললৈ নাহিবলৈ ক’লে।

মই বহুত দুখিতঃ হ’লো আৰু মই এই খবৰটো মাক জনালো। প্ৰভু যীচু খ্ৰীষ্টক পেঞ্চিলৰ বাবে ধন্যবাদ জনাবলৈ মায়ে মোক ক’লে, মই মাজনিশালৈকে প্ৰভুক ধন্যবাদেই দি আছিলো। মই সেই নিশা শুব পৰা নাছিলো। কিয়নো তাৰ পাছদিনাখন মই পেঞ্চিলৰ অবিহনে স্কুললৈ গ’লে কিমান যে কঠিন সময় আৰু শাস্তিৰ সন্মুখীন হ’ম তাকেই ভাবি আছিলো।

মই অকস্মাতে আচৰিত হ’লো। কোনোবাই মাজনিশা দুৱাৰত টুকুৰিওৱা শুনা পালো। মায়ে মোক ক’লে যে ঘৰত কোনো মতা মানুহ নথকা বুলি জানি কিছুমান চোৰ আহি হয়তো দুৱাৰত টুকুৰিয়াইছে আৰু তেওঁ মোক বিচনাৰ তলত সোমাই মনে মনে থাকিবলৈ ক’লে।



তেতিয়া কোনোবাই খিৰিকীৰ ফালৰ পৰা মোৰ মাৰ নাম লৈ মতা আমি শুনিলো, তেওঁ এজন মোৰ খুড়া শ্ৰীমান ছেলভা মানি আছিল, তেওঁ এজন পুলিচ বিষয়া আছিল আৰু আমাৰ ঘৰৰ পৰা প্ৰায় ৭০ কিঃমিঃ দূৰৈত থকা পালায়াম কট্টাই নাম নগৰত চাকৰি কৰি আছিল। আমি আনন্দেৰে দুৱাৰ খুলি দিলো। তেওঁ আন দিনাৰ দৰে লগত বিস্কুট, মিঠাই, কাপোৰ ইত্যাদি আনি মোক উপহাৰ দিলে। যেতিয়া মই তাৰেই এটা বিশেষ উপহাৰ খুলি চালো তেতিয়া মই ভিতৰত এটা সৰু বাকচ দেখিলো। যেতিয়া মই হেঁপাহেৰে মেলি চালো মই বাকচটোত ভৰ্তি দামী পেঞ্চিল দেখা পালো। সেইবোৰ নটৰাজ পেঞ্চিল আছিল, তেতিয়াৰ দিনত সেই নটৰাজ পেঞ্চিল বৰ দামী আছিল। বাকচটোৰ ভিতৰত ২৪ ডাল পেঞ্চিল আছিল।

সেই নিশা মই আনন্দত জাপ মাৰি মাৰি ক’লো যে প্ৰভু যীচু খ্ৰীষ্টই কেৱল মোৰ প্ৰাৰ্থনা শুনিলে এনে নহয়, কিন্তু মোৰ প্ৰাৰ্থনাৰ উত্তৰো দিলে। উপচি পৰা আনন্দৰ বাবে সেই গোটেই নিশা মই শুব পৰা নাছিলো।

দ্বিতীয় দিনা ৰাতিপুৱা ২৪ ডাল পেঞ্চিলৰ বাকচটো লৈ মই স্কুললৈ গ’লো যেতিয়া আন ছাত্ৰ-ছাত্ৰীসকলে লগত কেৱল এডালহে পেঞ্চিল আনিছিল। শিক্ষয়িত্ৰীগৰাকীয়ে খঙেৰে আহি মোক সুধিলে আজি পেঞ্চিল আনিলানে নাই? মই তেওঁক উত্তৰ দি ক’লো যে মই যি পেঞ্চিলৰ বিষয়ে আহি আছে বুলি কৈছিলো আজি আচৰিতভাৱে মোৰ হাতত আহি পালে। তেওঁ মোৰ পিঠিত চপৰিয়াই আনন্দেৰে আন আন ছাত্ৰ-ছাত্ৰীবিলাকক ক’লে যে এজন জীৱিত ঈশ্বৰ আছে যাৰ নাম যীচুখ্ৰীষ্ট হয়।

প্ৰিয় পঢ়ুৱৈ, এই ঘটনাটো যেতিয়া ঘটিছিল, তেতিয়া মোৰ সাত বছৰ বয়স হৈছিল কিন্তু এই অভিজ্ঞতা মোৰ এতিয়াও মনত আছে। সেই একেজনা ঈশ্বৰ যিজনে মোলৈ পেঞ্চিল যোগাইছিল তেওঁ এতিয়াও জীৱিত আছে। তেওঁ কালি, আজি আৰু সদকাললৈকে একেই হৈ আছে (ইব্ৰী ১৩ঃ৮)। গতিকে মই আজিও মোৰ কোঠালিত এখন সৰু পাটী ৰাখি থৈছো যাক মই ‘পেঞ্চিল পাটী’ বুলি কওঁ। মই অত্যন্ত ব্যস্ততাৰ মাজতো আৰু একেজনা প্ৰভু যীচু খ্ৰীষ্টৰ ওচৰত প্ৰয়োজনীয় বিষয়বোৰক গটাই দিয়াৰ পাছতো মই প্ৰতিদিনাই ৰাতিপুৱা অন্ততঃ তিনিবাৰকৈ প্ৰাৰ্থনা কৰিবলৈ পেঞ্চিল পাটীলৈ

যাওঁ। এতিয়ালৈকে মই এই পেঞ্চিল পাটীৰ ওপৰত অনেক মিনি বাছ, বৃহৎ আকাৰৰ গৃহ ইত্যাদি পাইছো। **গতিকে মই এটাই সমাধানলৈ আহি পালো যে যিহ্যতে বাইবেলখনক কঢ়িয়াই নিলে আৰু যিবোৰ ভৰিয়ে প্ৰাৰ্থনা কৰিবলৈ আঠু কাঢ়ে কেতিয়াও ব্যৰ্থ নহয়।**

সেয়েহে মোৰ পৰিচৰ্যাৰ ৫৫ বছৰ অতিবাহিত হৈছে, এই কালছোৱাত কিন্তু মই কেতিয়াও পুঁজি গোটোৱা কাৰ্যসূচী লোৱা নাই বা কোনোবা ব্যক্তিগত মানুহৰ দুৱাৰলৈ যোৱা নাই বা আমাৰ বিভিন্ন পৰিচৰ্যাৰ বাবে সামগ্ৰীও বিচৰা নাই। কেৱল মই এই পেঞ্চিল পাটীৰ পৰাই মোৰ সকলো প্ৰয়োজনীয় বস্তুৰ বাবে প্ৰাৰ্থনা কৰিছো আৰু ধন সামগ্ৰী আৰু সকলো বস্তু ঈশ্বৰৰ পৰা পাইছো।

"মোক শক্তি দিয়া জনাত থাকি মই সকলো বিষয়ত বলৱান হৈছো" (ফিলিপীয়া ৪ঃ১৩)।

❖❖❖❖❖

....Contd. from page 6

ৰক্ষা কৰিম, কাৰণ তেওঁ মোৰ নাম জানে তেওঁ মোক মাতিব, তাতে মই তেওঁক উত্তৰ দিম; সংকটৰ কালত মই তেওঁৰ সঙ্গী হ'ম, মই তেওঁক উদ্ধাৰ কৰিম, গৌৰৱান্বিত কৰিম (গীতমালা ৯১ঃ১৪-১৫)।

ঈশ্বৰে নিশ্চিত কৰি কয় যে তেওঁ আমাৰ সংকটৰ কালত আমাৰ লগত থাকিব, আমাৰ কাষত থাকিব। আমাৰ সকলো বোজা তেওঁৰ সৈতে ভগাই ল'বলৈ আহ্বান কৰিছে, মথি ১১ঃ২৮-৩০ পদত কৈছে--

হে পৰিশ্ৰান্ত আৰু ভাৰাক্ৰান্ত লোকসকল, মোৰ ওচৰলৈ আহা; মই তোমালোকক জিৰণি দিম। মই নম্ৰ আৰু কোমল চিত্তৰ মানুহ; এই হেতুকে তোমালোকৰ ওপৰত মোৰ যুঁৱলি লোৱা আৰু মোৰ শিক্ষা পোৱা তাতে তোমালোকে নিজৰ নিজৰ মনত জিৰণি পাবা, কিয়নো মোৰ যুঁৱলি বৈ নিয়া সহজ আৰু মোৰ বোজাও লঘু।

তেওঁ সাজু আছে আৰু আমি অহাৰ বাবে অপেক্ষা কৰি আছে আৰু আমাৰ যত্ন, দুখ, ভয় আৰু ব্যৰ্থতাবোৰক তেওঁ ল'ব বিচাৰিব। আজি আপুনি তেওঁলৈ আহিবনে আৰু অপেক্ষাৰ বোজাবোৰ তেওঁৰ কান্ধত দিবনে?

যিমানেই যীচুৰে আমাৰ বোজাবোৰক কঢ়িয়াবলৈ যাব আৰু আমাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ এটা মণ্ডলীৰ পৰিয়ালৰ সমৰ্থন আছে। আমিও কাৰোবাৰ জীৱনত এজন 'যোনাথন' চাবলৈ কোনো পথ বিচাৰিব লাগিব।

### ১। আনৰ বাবে প্ৰাৰ্থনা কৰক ঃ

প্ৰাৰ্থনা এটা শক্তিশালী যন্ত্ৰ। আমি ইজনে সিজনৰ বাবে প্ৰাৰ্থনা কৰিব পাৰো। যদি আপুনি কাৰোবাক পাপৰ সৈতে সংগ্ৰাম কৰি থকা দেখিছে, তেওঁক সমালোচনা কৰাৰ পৰিৱৰ্তে, তেওঁলোকৰ বাবে আৰু তেওঁলোকৰ লগত প্ৰাৰ্থনা কৰক। যদি আপুনি কাৰোবাৰ লগত অসুখী হৈ আছে, তেন্তে আনৰ আগত তেওঁলোকৰ পৰচৰ্চা নকৰিব। বৰং আন্তৰিকভাৱে তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰক।

### ২। শুনক ঃ

কেতিয়াবা, মানুহে তেওঁলোকৰ কথা শুনাবৰ বাবে তেওঁলোকক কাৰোবাক দৰকাৰ হয়। তেওঁলোকে পৰামৰ্শ বা সমাধানৰ বাবে কোনোবাক বিচৰা নাই - কেৱল দয়াৰ কাণ এখন বিচাৰি আছে। বিচাৰ নকৰাকৈ শুনক। সেইজন আপোনাৰ পৰিয়ালৰ সদস্য, এজন বন্ধু বা আনকি আগতে আপোনাক আঘাত দিয়া কোনোবা হ'ব পাৰে। যেতিয়া মানুহে আপোনাক শুনাটোহে বিচাৰে, আপুনি শুনাতহে গুৰুত্ব দিয়ক।

### ৩। প্ৰয়োজনতাক যোগাওক ঃ

যাকোবে আমাক শিক্ষা দি কয় যে বিশ্বাসক আপোনাৰ কাৰ্যৰ দ্বাৰাই প্ৰমাণ দিয়ক। প্ৰাৰ্থনা কৰা আৰু শুনাটোহে কেৱল যথেষ্ট নহয়; আনক সহায় কৰিবলৈ ব্যৱহাৰিক দিশটোক চাওক। ইয়াত সদায় টকাৰ কথা নাহে-- আমি আমাৰ দক্ষতা, বিশেষজ্ঞত্ব, বিবেক আৰু পৰিচালনাৰ কৌশলবোৰ ব্যৱহাৰ কৰিব পাৰো।

### ৪। প্ৰযুক্তি ঃ

কিবা এটা উদ্দেশ্যৰ বাবে প্ৰযুক্তিক ব্যৱহাৰ কৰিব পাৰে। যিজনে এটা বেয়া পৰিস্থিতিৰ মাজেদি গৈ আছে তেওঁলৈ উৎসাহ দিবৰ বাবে এটা টেক্স বা বাক্য পঠাওক, যদিও আপুনি শাৰীৰিকভাৱে তাত নাই, আপোনাৰ বাক্যবোৰে এটা শক্তিশালী প্ৰভাৱ পেলাব। জীৱনত সংগ্ৰাম কৰা লোকসকলক উৎসাহ দিবলৈ বাইবেল পদ বা এটা সাধাৰণ বাক্য পঠাওক।

### ৫। মণ্ডলীৰ বাবে উদ্বেগ ঃ

আপোনাৰ মণ্ডলীৰ মঙ্গল পৰীক্ষা কৰাৰ অভ্যাস কৰক। যদি কোনোবা গীৰ্জালৈ অহা নাই, পিছত তেওঁলৈ ফোন কৰক। তেওঁক কওক, "আপোনাৰ বাবে প্ৰাৰ্থনা কৰিব পাৰিমনে? মই কৰিব পৰা কিবা সহায় আপোনাৰ প্ৰয়োজন হৈছে নে?" নিশ্চিত কৰক যে আমাৰ ভাই আৰু ভনীসকলে জানে যে তেওঁলোক আমাৰ পৰিয়ালৰ এটা অংশ হয়।

### ৬। সেৱা ঃ

শেষত, আপুনি যি পাৰে তাকে সেৱা হিচাপে আগবঢ়াবলৈ যত্ন কৰক, যিদৰে যীচুৱে কৰিছিল। সেৱা আগবঢ়াবলৈ বহুত সুবিধা আছে, কিন্তু মূল বিষয় হ'ল যে ইজনে সিজনৰ বোজা ল'বলৈ উপায় বিচাৰি উলিওৱা আৰু ঈশ্বৰৰ সন্তানৰ দৰে আমাৰ আহ্বানক পালন কৰা।

❖❖❖❖❖

**অধ্যক্ষ বিচৰা হৈছে**

**চেন্নাইত থকা খ্ৰীষ্টিয়ান মেট্ৰিকুলেশ্বন স্কুলৰ বাবে**

ডিগ্ৰীধাৰী, অভিজ্ঞ, সমৰ্পিত, কঠোৰ পৰিশ্ৰমী আৰু মিশ্বন সেৱা মনোভাৱৰ লোক হ'ব লাগিব।

**যোগাযোগ কৰক ঃ**

E.mail : biblecor@yahoo.co.in
WhatsApp : (+91) 97908 05460

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

\- সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা     জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps **(Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.)** to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/24-26**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th NOVEMBER 2024.**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

## *JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**